# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 27-11-2024
**Time :** 1800 Hrs

# *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

কাজিৰঙাত দ্বাদশ আন্তঃৰাষ্ট্ৰীয় মেলা কালিৰে পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটে আজি দ্বাদশ আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলাখন মুকলি কৰে। পৰ্যটন মেলাত ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে অৰুণাচলৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডু আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ পৰ্যটন মন্ত্ৰীসকল উপস্থিত থাকে। কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ পৰ্যটন আৰু আন্তঃগাঁথনি খণ্ডৰ উন্নয়নৰ দ্বাৰা অঞ্চলটোৰ অৰ্থনৈতিক প্ৰগতিক সুনিশ্চিত কৰাৰ বাবে বিশেষ গুৰুত্ব দিয়া বুলি কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীশেখাৱটে মন্তব্য কৰে। পৰ্যটন মেলাখন মুকলি কৰাৰ অন্তত এখন সংবাদমেল সম্বোধন কৰে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে যোৱা ১০ বছৰত কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ বাবে পুঁজি আৱণ্টন বৃদ্ধি কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনক দেশৰ বিকাশৰ বাবে অষ্টলক্ষ্মী আখ্যা দি অঞ্চলটোৰ উন্নয়নৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। **প্ৰধানমন্ত্ৰীৰ নিজৰ দেশখন চাওক** শীৰ্ষক উদ্যোগৰ বাবে যোৱাটো বৰ্ষত উত্তৰ-পূৰ্বাঞ্চললৈ ২৩ লাখ পৰ্যটক আহিছিল বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে উত্তৰ-পূৰ্বাঞ্চলক দক্ষিণ পূব এছিয়াৰ দুৱাৰডলি বুলি অভিহিত কৰি অঞ্চলটোৰ চুবুৰীয়া দেশসমূহৰ সৈতে ভাৰতৰ বান্ধোন অধিক শক্তিশালী কৰা বুলিও কয়। কাজিৰঙাত আয়োজিত আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলাই চহকী পৰ্যটন ক্ষেত্ৰ তথা সংস্কৃতিক বিশ্বৰ আগত তুলি ধৰি অঞ্চলটোক লাভান্বিত কৰিব বুলিও কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীশেখাৱটে উল্লেখ কৰে। একেটা অনুষ্ঠানতে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয়, যে এই পৰ্যটন মেলাই উত্তৰ-পূৰ্বাঞ্চলৰ পৰ্যটন ক্ষেত্ৰক বিশ্বৰ পৰ্যটকক চিনাকী কৰি দি দেশৰ উন্নয়নত সহায় কৰিব। অসমৰ ঘৰুৱা পৰ্যটন ক্ষেত্ৰই যোৱাটো পৰ্যটন বৰ্ষত ৫৭৫ শতাংশ বৃদ্ধি হোৱা বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

**বাইট (মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা)**

আনহাতে অৰুণাচলৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডুৱে যোৱা ১০ বছৰত ৰাজ্যখনৰ পৰ্যটন ক্ষেত্ৰখনৰ ২০০ শতাংশ বৃদ্ধি হোৱা বুলি প্ৰকাশ কৰে। চুবুৰীয়া ৰাজ্যখনৰ মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ পৰ্যটন ক্ষেত্ৰৰ প্ৰচাৰ কৰাৰ বাবে সশস্ত্ৰ বাহিনীক বিশেষভাৱে ধন্যবাদ জনায়।

উল্লেখযোগ্য যে কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰালয়ে ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ স্বীকৃতিপ্ৰাপ্ত কাজিৰঙাত আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলাখনৰ আয়োজন কৰিছে। এই মেলাই উত্তৰ-পূৰ্বাঞ্চলৰ পৰ্যটনৰ লগতে বাণিজ্য তথা উদ্যোগসমূহকো ঘৰুৱা তথা আন্তঃৰাষ্ট্ৰীয় এখন মঞ্চ দিছে। মেলাখনত ঘৰুৱা তথা আন্তঃৰাষ্ট্ৰীয় ট্যুৰ অপাৰেটৰ, হোটেল ব্যৱসায়ী, পৰ্যটন সেৱা আগবঢ়োৱা প্ৰায় ৪০০ প্ৰতিষ্ঠানে অংশগ্ৰহণ কৰিছে।

০০০০০

কাজিৰঙাত অনুষ্ঠিত হোৱা দ্বাদশ আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলাত অংশগ্ৰহণ কৰাৰ পাছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গোলাঘাটৰ নুমলীগড়ৰ দেওপাহাৰ ভ্ৰমণ কৰে। দেওপাহাৰৰ শৃংগত থকা পুৰণি মন্দিৰত সেৱা লয় পাহাৰটোত থকা প্ৰত্নতাত্বিক সমলসমূহ সংৰক্ষণৰ বাবে চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব বুলি ব্যক্ত কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে এই সন্দৰ্ভত বিতং প্ৰকল্প প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ গোলাঘাট আয়ুক্তক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই কাজিৰঙালৈ অহা পৰ্যটকসকলক দেওপাহাৰৰ সৌন্দৰ্য তথা অষ্টম, নৱম শতিকাৰ সমলসমূহ চাবলৈ আহ্বান জনায়। নুমলীগড়ৰ হাতী-মানুহৰ সংঘাত ৰোধ কৰাৰ বাবে মুখ্যমন্ত্ৰীগৰাকীয়ে ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ সৈতে আলোচনা কৰাৰ কথা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীৰ দেওপাহাৰ ভ্ৰমণৰ সময়ত মন্ত্ৰী অতুল বৰা, শ্ৰী জয়ন্ত মল্লবৰুৱা, সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়ক মৃণাল শইকীয়া আৰু বিশ্বজিৎ ফুকনে সংগ দিয়ে।

০০০০০

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সাহিত্যাচাৰ্য প্ৰয়াত মহিম বৰাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে আজি নগাঁৱত এটা বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। সাহিত্য একাডেমী উদ্যোগত নগাঁৱৰ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ে সাহিত্যিকগৰাকীৰ জন্ম শতবৰ্ষ উদযাপন কৰে। এই উপলক্ষে মহিম বৰাৰ সাহিত্য বিষয়ক আলোচনাচক্ৰ অনুষ্ঠিত হয়। অনুষ্ঠানত সাহিত্য একাডেমীৰ ভাষা উপদেষ্টা সমিতিৰ আহ্বায়ক ড০ দিগন্ত বিশ্ব শৰ্মা, আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ সদানন্দ পায়েং আৰু বিশিষ্ট সাহিত্য সমালোচক প্ৰভাত বৰাৰ উপৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০০

অসম আৰক্ষীৰ বিশেষ কৰ্মবাহিনীয়ে যোৱা বছৰৰ মাৰ্চ মাহৰ পৰা চলোৱা ১৫০টা অভিযানত দেখুওৱা অনুকৰণীয় পাৰদৰ্শিতা আৰু সফলতাৰ বাবে আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙে বাহিনীটোক অভিনন্দন জনাইছে। এই সময়ছোৱাত আৰক্ষীৰ দলে ৫০ লাখৰো অধিক টকাৰ জালনোট জব্দ কৰাৰ লগতে বুজন পৰিমাণৰ মাদক দ্ৰব্য জব্দ কৰে। তদুপৰি ৮ লাখ ২০ হাজাৰ টকাৰো অধিক নগদ ধন, এটা গঁড়ৰ খৰ্গ আৰু ভালেমান অস্ত্ৰ-শস্ত্ৰ আৰক্ষীয়ে জব্দ কৰে। ৪১গৰাকী মহিলাকে ধৰি ২৩৮গৰাকী অভিযুক্তক আৰক্ষীৰ বিশেষ কৰ্মবাহিনীয়ে এই সময়ছোৱাত গ্ৰেপ্তাৰ কৰে। আৰক্ষী পৰিদৰ্শক কপিল পাঠকৰ নেতৃত্বৰ ৮-জনীয়া দলটোক আজি আৰক্ষী সঞ্চালক প্ৰধানগৰাকীয়ে এই উল্লেখনীয় সেৱাৰ বাবে অভিনন্দন জনোৱাৰ লগতে ভৱিষ্যতেও নিষ্ঠাৰে কাম কৰি যাবলৈ পৰামৰ্শ দিয়ে।

০০০০

সমাপ্ত